অসম বিধানসভা

তৰাবিহীন প্ৰশ্ন নং:- ৪১৩

উত্তৰৰ তাৰিখ :-২২/০৭/২০২৬

বিষয়ঃ **আঁচনি সন্দৰ্ভত**

**শ্ৰীধৰ্মেশ্বৰ ৰয়ঃ**

মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) বৰ্তমান অসমত কিমানটা খণ্ড উন্নয়ন বিষয়াৰ কাৰ্য্যালয় আছে? খণ্ড উন্নয়ন বিষয়াৰ কাৰ্য্যালয় বৃদ্ধি কৰাৰ বাবে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে নে ?

(খ) বজালী সমষ্টিত কিমান পি এম এ ৱাই (PMAY) আঁচনিৰ গৃহ নিৰ্মাণ সম্পূৰ্ণ হৈছে আৰু কিমান সংখ্যক গৃহ নিৰ্মাণ কৰিবলৈ এতিয়াও বাকী আছে ?

(গ) পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগত ৰাজ্যজুৰি কিমানজন গ্ৰামসেৱক-সেৱিকা আছে ? তেওঁলোকৰ Promotion ৰ ব্যৱস্থা আছেনে? যদি আছে, কেতিয়ালৈ Promotion ৰ ব্যৱস্থা কৰা হ'ব?

(ঘ) বজালী সমষ্টিৰ পঞ্চায়তৰ কাৰ্য্যালয় ভৱনসমূহৰ উন্নীতকৰণৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছেনে ?

উত্তৰ :-

**মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰীমহোদয় শ্ৰী অতুল বৰাদেৱে উত্তৰ দিবঃ**

ক) বৰ্তমান অসমত মুঠ ২২১ টা খণ্ড উন্নয়ন বিষয়াৰ কাৰ্য্যালয় আছে । নতুন উন্নয়ন খণ্ড গঠনৰ কোনো প্ৰস্তাৱ বৰ্তমান বিভাগৰ ওচৰত নাই।

খ) বজালী সমষ্টি অন্তৰ্গত এটা উন্নয়ন খণ্ড আছে - বজালী উন্নয়ন খণ্ড। এই উন্নয়ন খণ্ডত প্ৰধান মন্ত্ৰী আৱাস যোজনা- গ্ৰামীণ আঁচনিৰ অধীনত বৰ্তমানলৈ ১৪,৯৭৯ টা পৰিয়ালে গৃহ আৱণ্টন পাইছে। ইয়াৰে মুঠ ১১,৯৭৫ টা গৃহ সম্পূৰ্ণ কৰা হ'ল আৰু বাকী থকা ৩,০০৪ টা গৃহ নিৰ্মীয়মান অৱস্থাত আছে।

বজালী সমষ্টিত প্ৰধানমন্ত্ৰী আৱাস যোজনা - গ্ৰামীণৰ অধীনত Awaas+ 2024 জৰীপৰ জৰিয়তে বজালী উন্নয়ন খণ্ডত ১৩,৪৪৫ টা পৰিয়ালৰ জৰীপ কৰা হৈছে আৰু Framework For Implementation (FFI) PMAY-G Guidelines ৰ ভিত্তিত যোগ্য হিতাধিকাৰী সঠিক চিনাক্তকৰণ আৰু তালিকা উন্নীতকৰণ কৰি এখন Permanent Wait List (PWL)ৰ তালিকা প্ৰস্তুত কৰা কাম আৰম্ভ কৰা হৈছে ।

গ) পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগত অন্তৰ্গত বিভিন্ন খণ্ড উন্নয়ন বিষয়াৰ কাৰ্য্যালয়ত মুঠ 323 সংখ্যক গ্ৰাম সেৱক আৰু মুঠ সংখ্যক 232 গ্ৰাম সেৱিকা কৰ্মৰত হৈ আছে। চৰকাৰৰ অধিসুচনা নং PRD-12/62/2019-PRD(B)/28, Dtd. 22-01-2020 আৰু নং PRD-12/61/2021- PRD(B)/28, Dtd. 22-01-2020 অনুসৰি গ্ৰামসেৱক সকলক সহকাৰী খণ্ড উন্নয়ন বিষয়া (জ্যেষ্ঠ গ্ৰাম সেৱক/ সেৱিকা) আৰু গ্ৰামসেৱিকা সকলক সহকাৰী- খণ্ড উন্নয়ন বিষয়া (মহিলা আৰু শিশু) পদলৈ পদোন্নতি দিয়াৰ ব্যৱস্থা আছে। তদুপৰি বিভাগীয় নিয়ম অনুযায়ী সহকাৰী খণ্ড উন্নয়ন বিষয়াৰ পৰা খণ্ড উন্নয়ন বিষয়া পদলৈ পদোন্নোতিৰো ব্যৱস্থা আছে। অধিসূচনাৰ প্ৰতিলিপি **পৰিশিষ্টঃ "ক"** আৰু **"খ"**- সংলগ্ন কৰা হৈছে।

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগত কৰ্মৰত গ্ৰামসেৱক-গ্ৰামসেৱিকা সকলক সময়ে সময়ে পদোন্নতি দি থকা হৈছে। বিগত বৰ্ষত পদোন্নতি পোৱা গ্ৰামসেৱক-গ্ৰামসেৱিকাৰ তালিকা তলত উল্লেখ কৰা হ'ল-

| বৰ্ষ | পদোন্নতি পোৱা গ্ৰামসেৱকৰ সংখ্যা | পদোন্নতি পোৱা গ্ৰামসেৱিকাৰ সংখ্যা |
|---|---|---|
| ২০২৬ | ৪৯ | ২৪ |
| ২০২৪ | ৬১ | ১৪ |

ঘ) বজালী জিলা পৰিষদৰ পৰা লাভ কৰা তথ্য অনুসৰি বজালী সমষ্টিৰ পঞ্চায়তৰ কাৰ্য্যালয় ভৱন সমূহৰ উন্নীতকৰণৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। বজালী সমষ্টিত মুঠ ২০ খন গাঁও পঞ্চায়ত আছে। ইতিমধ্যে "আৰ জি এছ এ' ৰ অধীনত ৮ টা পঞ্চায়তৰ কাৰ্য্যালয় নিৰ্মাণ সম্পূৰ্ণ কৰা হৈছে আৰু **১** টা পঞ্চায়তৰ কাৰ্যালয় ভৱনৰ নিৰ্মাণৰ কাম বৰ্তমান চলি আছে। ৯ টা পঞ্চায়তৰ নিজা কাৰ্য্যালয় আছে। বাকী ২ টা নতুনকৈ গঠিত গাঁও পঞ্চায়ত (বালাপাৰা আৰু গোপীনাথ) কাৰ্য্যালয় ভৱনৰ নিৰ্মাণৰ কাম ৰাষ্ট্ৰীয় গ্ৰাম স্বৰাজ অভিযান (RGSA) ৰ অধিনত ২০২৬-২৭ বিত্তীয় বৰ্ষৰ Annual Action Plan ত আৰু ভাৰত চৰকাৰৰ পঞ্চায়তীৰাজ মন্ত্ৰালয়ত গৃহীত হ'লে আৱণ্টিত পুঁজিৰে উক্ত গাঁও পঞ্চায়ত ২টাৰ নিৰ্মাণৰ কাম আৰম্ভ কৰিব পৰা যাব।
ইয়াৰ সবিশেক তথ্য **পৰিশিষ্ট–"গ"** সংলগ্ন কৰা হ'ল।

উক্ত পৰিশিষ্টখিনি "cms.neva.gov.in" ত আপলড কৰা হ'ল।

*******************

GOVERNMENT OF ASSAM
PANCHAYAT AND RURAL DEVELOPMENT (B) DEPARTMENT
DISPUR :: GUWAHATI-6

ORDERS BY THE GOVERNOR OF ASSAM

NOTIFICATION

Dated Dispur, the 22nd January, 2020

**No.PRD-12/62/2019-PRD(B)/28:** In pursuance of creation of 45 (forty five) number of posts of Assistant Block Development Officer (Sr. Gram Sevak/Sevika) vide Govt. letter No.PRD-12/570/2017-PRD(B)/86 Dated 29/11/2019 and as per decision of Council of Ministers Meeting held on 21/10/2019, the Governor of Assam is hereby pleased to state that the post of Sr. Gram Sevak/Sevika is re-designated as Assistant Block Development Officer (Sr. Gram Sevak/Sevika) and the Gradation List of the erstwhile Sr. Gram Sevak/Sevika has to be considered as the Gradation List of the newly created post of Assistant Block Development Officer (Sr. Gram Sevak/Sevika).

Moreover, it is also stated that 40% posts of Assistant Block Development Officer (Sr. Gram Sevak/Sevika) will be filled up by direct recruitment and the remaining 60% posts of Assistant Block Development Officer (Sr. Gram Sevak/Sevika) will be filled up from Gram Sevak (both CD & RD including women cadres recruited as Gram Sevak) through promotion.

The Commissioner, Panchayat & Rural Development, Assam will take necessary action accordingly for re-designating the Sr. Gram Sevak/Sevika as Assistant Block Development Officer (Sr. Gram Sevak/Sevika).

Sd/- (Dr. J. B. Ekka, IAS)
Principal Secretary to the Govt. of Assam,
Panchayat & Rural Development Deptt.

Memo No.PRD-12/62/2019-PRD(B)/28-A          Dated Dispur, the 22nd January, 2020

1) The Accountant General (A&E), Assam, Maidamgaon, Beltola, Guwahati – 29.
2) The Commissioner, Panchayat & Rural Development, Assam, Guwahati-37.
3) Finance (Estt.-A) / (Estt.-B) / (EC-I) / (Budget) Department, Dispur.
4) Personnel (A)/(B) Department, Dispur.
5) The Deputy Commissioner, (All)........................................................
6) The Chief Executive Officer, Zilla Parishad, (All)...................................
7) The Project Director, (DRDA), (All)..................................................
8) The Treasury Officer, ....................................................................
9) The Block Development Officer,.......................................................
10) P.S. to Hon'ble Minister, P&RD, Assam, Dispur.
11) P.S. to Principal Secretary to the Govt. of Assam, P&RD Deptt., for favour of kind apprisal of Principal Secretary.
12) P.S. to Secretary to the Govt. of Assam, P&RD Deptt., for favour of kind apprisal of Secretary.
13) Office copy/Departmental website.

By order etc,

Joint Secretary to the Govt. of Assam,
Panchayat & Rural Development Deptt.

অধিসূচনা - "২১" (10)

A.G. Section
24/1/20

GOVERNMENT OF ASSAM
PANCHAYAT AND RURAL DEVELOPMENT (B) DEPARTMENT
DISPUR :: GUWAHATI-6

## ORDERS BY THE GOVERNOR OF ASSAM

## NOTIFICATION

Dated Dispur, the 22nd January, 2020

No.PRD-12/61/2019-PRD(B)/28: In pursuance of creation of 45 (forty five) number of posts of Assistant Block Development Officer (Women & Children) vide Govt. letter No.PRD-12/570/2017-PRD(B)/85 Dated 29/11/2019 and as per decision of Council of Ministers Meeting held on 21/10/2019, the Governor of Assam is hereby pleased to state that the post of Extension Officer (Women & Children) is re-designated as Assistant Block Development Officer (Women & Children) and the Gradation List of the erstwhile Extension Officer (Women & Children) has to be considered as the Gradation List of the newly created post of Assistant Block Development Officer (Women & Children).

Moreover, it is also stated that 40% posts of Assistant Block Development Officer (Women & Children) will be filled up by direct recruitment and the remaining 60% posts of Assistant Block Development Officer (Women & Children) will be filled up from Gram Sevika through promotion [By amalgamation of Gram Sevika (CD) and Gram Sevika (DWCRA)].

The Commissioner, Panchayat & Rural Development, Assam will take necessary action accordingly for re-designating the Extension Officers (Women & Children) as Assistant Block Development Officer (Women & Children).

Sd/- (Dr. J. B. Ekka, IAS)
Principal Secretary to the Govt. of Assam,
Panchayat & Rural Development Deptt.

Memo No.PRD-12/61/2019-PRD(B)/28-A    Dated Dispur, the 22nd January, 2020

1) The Accountant General (A&E), Assam, Maidamgaon, Beltola, Guwahati – 29
2) The Commissioner, Panchayat & Rural Development, Assam, Guwahati-37.
3) Finance (Estt.-A) / (Estt.-B) / (EC-I) / (Budget) Department, Dispur
4) Personnel (A)/(B) Department, Dispur.
5) The Deputy Commissioner, (All)........................................................
6) The Chief Executive Officer, Zilla Parishad, (All)..................................
7) The Project Director, (DRDA), (All)...................................................
8) The Treasury Officer.........................................................................
9) The Block Development Officer,..........................................................
10) P.S. to Hon'ble Minister, P&RD, Assam, Dispur
11) P.S. to Principal Secretary to the Govt. of Assam, P&RD Deptt., for favour of kind apprisal of Principal Secretary
12) P.S. to Secretary to the Govt. of Assam, P&RD Deptt., for favour of kind apprisal of Secretary
13) Office copy/Departmental website

By order etc.,

22/01/2020

Joint Secretary to the Govt. of Assam,
Panchayat & Rural Development Deptt.

পৰিশিষ্ট 'গ'

(১৫)

(ঘ) বজালী সমষ্টিৰ পঞ্চায়তৰ কাৰ্যালয় ভৱন সমূহৰ উন্নীতকৰণৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ইয়াৰ সবিশেষ বিৱৰন তলত দিয়া ধৰণৰ।

| ক্ৰমিক নং | গাঁও পঞ্চায়তৰ নাম | বিৱৰন |
|---|---|---|
| ১ | বামুণকুছি | ৰাষ্ট্ৰীয় গ্ৰাম স্বৰাজ অভিযান (RGSA)-ৰ অধীনত গাঁও পঞ্চায়ত কাৰ্যালয় ইতিমধ্যে নিৰ্মাণ কৰা হৈছে। |
| ২ | বন্ধসিধানী | |
| ৩ | বৰভালুকী বালিপাৰা | |
| ৪ | মুগুৰীয়া বামাখাটা | |
| ৫ | মানিকপুৰ | |
| ৬ | নিত্যানন্দ পানবাৰী | |
| ৭ | গোবিন্দপুৰ | |
| ৮ | ষাঠিশামুকা বামুণপাৰা | |
| ৯ | সাদেৰী | ৰাষ্ট্ৰীয় গ্ৰাম স্বৰাজ অভিযান (RGSA)-ৰ অধীনত গাঁও পঞ্চায়ত কাৰ্যালয়ৰ নিৰ্মাণ কাৰ্যৰ কাম চলি আছে। |
| ১০ | বাঘমাৰা | এই গাঁও পঞ্চায়তসমূহৰ ইতিমধ্যে নিজা গাঁও পঞ্চায়ত কাৰ্যালয় ভৱন আছে। |
| ১১ | কুৰোবাহা | |
| ১২ | হাঠিনাপুৰ | |
| ১৩ | বৰবাং | |
| ১৪ | মৰিপুৰ আনন্দপুৰ | |
| ১৫ | ডুবি | |
| ১৬ | ডুমুৰীয়া | |
| ১৭ | ধুমাৰপাথাৰ | |
| ১৮ | টিহুদেখাটা | |
| ১৯ | গোপীনাথ | গোপীনাথ গাঁও পঞ্চায়ত বজালী উন্নয়ন খণ্ডৰ অধীনত নতুনকৈ গঠিত গাঁও পঞ্চায়ত। বৰ্তমান গাঁও পঞ্চায়তখন এক সংযুক্ত বিদ্যালয় (Amalgamated School)-ৰ ভৱনত অস্থায়ীভাৱে কাৰ্যালয় পৰিচালনা কৰি আছে। কিন্তু আজিলৈকে গাঁও পঞ্চায়তখনৰ বাবে কোনো ভূমি আবণ্টন কৰা হোৱা নাই। |
| ২০ | বালাপাৰা | ১৩ নং বালাপাৰা গাঁও পঞ্চায়ত বজালী উন্নয়ন খণ্ডৰ অধীনত নতুনকৈ গঠিত গাঁও পঞ্চায়ত। বৰ্তমান গাঁও পঞ্চায়ত কাৰ্যালয়খন এখন অ-প্ৰাদেশিকীকৃত এম.ই বিদ্যালয়ৰ ভৱনৰ একাংশত পৰিচালিত হৈ আছে।<br>পৰৱৰ্তী সময়ত চিডিএলএচি (CDLAC)-য়ে পকা মৌজাৰ অন্তৰ্গত ২ নং ব্লকৰ কাওইমাৰী গাঁৱৰ চৰকাৰী দাগ নং ৩৯-ত অৱস্থিত ০২ বিঘা ০০ কঠা ০০ লেছা পৰিমাণ চৰকাৰী ভূমি ১৩ নং বালাপাৰা গাঁও পঞ্চায়ত কাৰ্যালয়-ৰ বাবে আবণ্টন কৰিছে। সেয়েহে, এতিয়া গাঁও পঞ্চায়ত কাৰ্যালয় ভৱন নিৰ্মাণৰ প্ৰক্ৰিয়া আৰম্ভ কৰিব পৰা যাব। |

Yours faithfully

For 18/07/2026

Chief Executive Officer (i/c),
Bajali Zilla Parishad, Pathsala.

Scanned with OKEN Scanner